# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date : 03-**12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১।　ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত দিব্যাংগসকলৰ সৱলীকৰণৰ বাবে দি অহা ৰাষ্ট্ৰীয় বঁটাসমূহ প্ৰদান কৰে।

২।　বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰে ভাৰত আৰু চীনৰ মাজত সম্পৰ্কৰ উন্নয়নৰ বাবে সীমান্ত এলেকাসমূহৰ শান্তি-সম্প্ৰীতি পূৰ্ব চৰ্ত বুলি প্ৰকাশ কৰিছে।

৩।　ইছৰোৱে কাইলৈ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা PSLV-C59 প্ৰোবা-থ্ৰি মিছন উৎক্ষেপন কৰিব।

৪।　চৰকাৰে দেশত প্ৰাথমিক স্বাস্থ্য সেৱা ব্যৱস্থাৰ সুদৃঢ়কৰণৰ বাবে অহৰহ কাম কৰি আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে। ***আৰু***

৫।　ভাৰত আজি পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে দিব্যাংগসকলৰ সৱলীকৰণৰ বাবে দি অহা ৰাষ্ট্ৰীয় বঁটাসমূহ প্ৰদান কৰে। এই উপলক্ষে শ্ৰীমতী মুৰ্মুৱে কয়, যে বঁটা প্ৰাপকসকল সমাজৰ বাবে আদৰ্শস্বৰূপ। তেঁও কয়, যে তেওঁলোকক অনুসৰণ কৰি অন্য ব্যক্তি আৰু প্ৰতিষ্ঠানে দিব্যাংগসকলৰ সৱলীকৰণৰ দিশত আগবাঢ়িব পাৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে দিব্যাংগসকলৰ মাজত উদ্যমশীলতাৰ প্ৰসাৰ, দক্ষতাৰ বিকাশ, তেওঁলোকক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান, তেওঁলোকৰ দ্বাৰা উৎপাদিত সামগ্ৰী ক্ৰয় কৰাত অগ্ৰাধিকাৰ প্ৰদান আৰু বিপনন সুবিধা প্ৰদান কৰি দিব্যাংগসকলৰ নেতৃত্বৰ সামৰ্থ বৃদ্ধি কৰিব পৰা যায়। দিব্যাংগসকলৰ বাবে সাৰ্বভৌমিক সুগমতা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সুগম্য ভাৰত অভিযানৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দিব্যাংগসকলক সহানুভূতিৰ নহয় সহমৰ্মিতাৰহে আৱশ্যক। তেওঁ কয় যে, দিব্যাংগসকলক তেওঁলোকো যে কোনো গুণে কম নহয় সেয়া অনুভৱ কৰাটো মানৱ জাতিৰ দায়িত্ব। সমাজে দিব্যাংগসকলক বাধাৰহিত বাতাবৰণ প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰা উচিত বুলি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰে দিব্যাংগসকলৰ জীৱন সমৃদ্ধিশালী কৰি তোলাৰ উদ্দেশ্যে ১৬ টা ৰূপান্তৰকাৰী পদক্ষেপ উন্মোচন কৰে।

ooooo

বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰে ভাৰত আৰু চীনৰ মাজত সম্পৰ্কৰ উন্নয়নৰ বাবে সীমান্ত এলেকাসমূহৰ শান্তি-সম্প্ৰীতি পূৰ্ব চৰ্ত বুলি প্ৰকাশ কৰিছে। তেওঁ কৈছে, যে দুয়োখন দেশে সীমান্তৱৰ্তী এলেকাৰ পৰা সৈন্য বাহিনী প্ৰত্যাহাৰ আৰু গতিবিধিৰ ফলপ্ৰসূ ব্যৱস্থাপনা সম্পৰ্কে আলোচনা কৰিব। লোকসভাত আজি চীনৰ সৈতে ভাৰতৰ সম্পৰ্কৰ সৈতে জড়িত ঘটনাক্ৰমৰ বিষয়ে বিবৃতি দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰন্তৰ কূটনৈতিক আলোচনাক প্ৰতিফলিত কৰা ভাৰতীয় ঘটনাক্ৰমৰ পৰা ভাৰত আৰু চীনৰ মাজৰ সম্পৰ্ক কিছু উন্নত হৈছে।

২০২০ চনৰ এপ্ৰিল-মে'ত ভাৰতীয় আৰু চীনা সৈন্য বাহিনীৰ মাজত সৃষ্টি হোৱা অচলাবস্থা সন্দৰ্ভত ড০ জয়শংকৰে কয়, যে ২০২০ চনৰে পৰা ভাৰত আৰু চীনৰ মাজৰ সম্পৰ্ক অস্বাভাৱিক হৈ আছে। সেই সময়ত চীনে পূৱ লাডাখৰ বাস্তৱিক নিয়ন্ত্ৰণৰেখাত ভালেসংখ্যক সৈনিক নিয়োজন কৰাক লৈ কেইবাটাও স্থানত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। মন্ত্ৰীগৰাকীয়ে কয়, যে এনে পৰিস্থিতিৰ বাবে তহলদাৰী ব্যৱস্থাও বিঘ্নিত হৈছিল। ড০ জয়শংকৰে সশস্ত্ৰ বাহিনীৰ ভূমিকাৰ প্ৰশংসা কৰি কয়, যে প্ৰত্যুত্তৰত পৰিবহন প্ৰত্যাহ্বান আৰু কোৱিডজনিত পৰিস্থিতি স্বত্তেও ভাৰতে ক্ষীপ্ৰ আৰু ফলপ্ৰসুভাৱে সৈন্য মোতায়েন কৰিবলৈ সমৰ্থ হৈছে। পূৱ লাডাখত সম্প্ৰতি

পৰ্যায়ক্ৰমে সৈন্য বাহিনী প্ৰত্যাহাৰ কৰাৰ বাবে চলি আছে বুলি উল্লেখ কৰে। তেওঁ কয় যে, ১৯৬২ চনৰ সংঘৰ্ষৰ ফলস্বৰূপে চীনে অস্থাই চীনত ভাৰতীয় ভূভাগৰ ৩৮ হাজাৰ বৰ্গকিলোমিটাৰ এলেকা অবৈধভাৱে দখল কৰি আছে। তেওঁ লগতে কয় যে, পাকিস্তানে ১৯৬৩ চনত ৫ হাজাৰ ১৮০ বৰ্গকিলোমিটাৰ ভাৰতীয় ভূমি অবৈধভাৱে চীনক গটাই দিছিল। ১৯৪৮ চনৰ পৰা এই এলেকাসমূহ পাকিস্তানৰ নিয়ন্ত্ৰণত আছিল। বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত আৰু চীনে সীমা সমস্যা সমাধানৰ বাবে কেইবা দশক ধৰি আলোচনা কৰি আছে। ভাৰতে সীমা সমস্যাৰ নিৰপেক্ষ, ন্যায়সংগত আৰু পৰস্পৰৰ বাবে গ্ৰহণযোগ্য পৰিকাথামোত উপনীত হোৱাৰ বাবে চীনৰ সৈতে দ্বিপাক্ষিক আলোচনা কৰিবলৈ বদ্ধপৰিকৰ বুলি ডং জয়শংকৰে উল্লেখ কৰে। সীমান্ত এলেকাৰ আন্তঃগাথনিৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি ডং জয়শংকৰে কয়, যে সীমাৱৰ্তী এলেকাৰ আন্তঃগাথনি উন্নয়নৰ বাবে সৈন্য বাহিনীয়ে স্থিতি অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ সমৰ্থ হৈ উঠিছে। তেওঁ কয় যে, লাডাখৰ কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ একাংশ পথ আৰু বিমানক্ষেত্ৰৰ কাম চলি আছে।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোই কাইলৈ বিয়লি প্ৰায় ৪ বাজি ৮ মিনিটত শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা PSLV-C59 প্ৰোবা-থ্ৰি মিছনৰ উৎক্ষেপন কৰিব। এই অভিযানৰ অধীনত ইউৰোপীয় মহাকাশ সংস্থাৰ প্ৰোবা থ্ৰি উপগ্ৰহক অধিক দীৰ্ঘ বৃত্তাকাৰ কক্ষপথত স্থাপন কৰা হ'ব। ইছৰোৰ বাণিজ্যিক শাখা নিউ স্পেচ ইণ্ডিয়া লিমিটেডে ইউৰোপীয় মহাকাশ সংস্থাৰ পৰা এই ফৰমাচ লাভ কৰিছে। প্ৰোবা থ্ৰি উপগ্ৰহসমূহ কক্ষপথত উপনীত হোৱাৰ পাছত দুটা ভাগত বিভক্ত হ'ব। এই উপগ্ৰহসমূহে সৌৰ মুকুট, ইয়াৰ চৌপাশৰ বাতাবৰণ, মহাকাশৰ বতৰ আৰু সৌৰ বতাহৰ  অধ্যয়ন কৰিব।

ooooo

চৰকাৰে দেশত প্ৰাথমিক স্বাস্থ্য সেৱা ব্যৱস্থাৰ সুদৃঢ়কৰণৰ বাবে  অহৰহ কাম কৰি আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে। ৰাজ্যসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰীনাড্ডাই কয় যে, সমগ্ৰ দেশত প্ৰায় এক লাখ ৭৩ হাজাৰ আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰা হৈছে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে ৩০ বছৰৰ ভিতৰত মধুমেহ, উচ্চ ৰক্তচাপ আৰু কৰ্কটৰ দৰে অন্য ৰোগ চিনাক্তকৰণৰ বাবে সাৰ্বজনীন পৰীক্ষাৰ পৰিকল্পনা কৰিছে। তেওঁ লগতে কয়, যে চৰকাৰে ৰাষ্ট্ৰীয় টেলি মানসিক স্বাস্থ্য কাৰ্যসূচী ৰূপায়ণ কৰি আছে আৰু মানসিক স্বাস্থ্য সম্পৰ্কীয় সাহায্যৰ বাবে ইতিমধ্যে ৫৩ টা টেলি মানস কেন্দ্ৰ স্থাপন কৰিছে। এই সন্দৰ্ভত ২০ টা আঞ্চলিক ভাষাত পৰামৰ্শ প্ৰদান কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

মহাৰাষ্ট্ৰৰ নৱ নিৰ্বাচিত মহাযুটী মৰ্চা চৰকাৰৰ শপতগ্ৰহণৰ পূৰ্বে আজি মুম্বাইত বিজেপিৰ এখন বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীৰ নাম সম্পৰ্কে স্থিতি এতিয়াও অস্পষ্ট হৈ আছে। বিজেপিৰ ৰাজ্যিক মুৰব্বী  চন্দ্ৰশেখৰ বাৱনকুলেই আজি বৈঠকত শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। বৃহস্পতিবাৰে সন্ধিয়া ৫ বজাত মুম্বাইৰ আজাদ ময়দানত শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত  হ'ব। এই অনুষ্ঠানত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্যপাল, এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰী আৰু দলৰ জ্যেষ্ঠ নেতাসকলক শপত গ্ৰহণ অনুষ্ঠানত আমন্ত্ৰণ জনোৱা হৈছে।

ooooo

ভাৰত আজি ওমানৰ মাছকটত হবলগীয়া পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা চাৰে আঠ বজাত আৰম্ভ হ'ব। কাইলৈ প্ৰতিযোগিতাৰ ফাইনেল খেলখন খেলোৱা হ'ব।

ooooo

অসমৰ ইশাৰাণী বৰুৱাই গুৱাহাটী মাষ্টাৰ্ছ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাত পোনে পোনে মুল ৰাউণ্ডত খেলাৰ যোগ্যতা অৰ্জন কৰিছে। প্ৰতিযোগিতাৰ সূচী অনুসৰি ইশাৰাণীক মহিলাৰ ছিংগলছৰ মুল ৰাউণ্ডত খেলাৰ সুযোগ দিয়া হৈছে। খেলুৱৈগৰাকী বুধবাৰে প্ৰতিযোগিতাৰ এখন খেলত অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চণ্ডীশগড়ত নতুন ফৌজদাৰী আইনৰ সফল ৰূপায়ণৰ কাম জাতিটোৰ বাবে উৎসৰ্গা কৰে। একেটা অনুষ্ঠানতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহো উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে নতুন ফৌজদাৰী আইনৰ সফল ৰূপায়ণ আমাৰ সংবিধানে দেশৰ নাগৰিকৰ বাবে কল্পনা কৰা আদৰ্শ পূৰণৰ দিশত এক সুনিৰ্দিষ্ট পদক্ষেপ। ইয়াৰ লগতে প্ৰধানমন্ত্ৰীয়ে কয়, যে এই নতুন আইনসমূহে ভাৰতক ঔপনিবেশিক উত্তৰাধিকাৰৰ পৰা মুক্ত কৰিব। চণ্ডিশগড়ত নতুন ফৌজদাৰী আইন সফল ৰূপায়ণৰ বাবে পাঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ অধিবক্তাসকলৰ লগতে চণ্ডীশগড় বাৰৰ সদস্য সকলকো ধন্যবাদ জনায়। অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰী শ্ৰীমোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীশ্বাহে পৰিৱৰ্তনশীল ৩ খন নতুন আইন ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মৰ ওপৰত এখন প্ৰদৰ্শনীও পৰিদৰ্শন কৰে লগতে নতুন ফৌজদাৰী আইনসমূহৰ অধীনত অপৰাধস্থলীৰ তদন্তৰ লাইভ প্ৰদৰ্শনো প্ৰত্যক্ষ কৰে।

০০০০০

সমাপ্ত